**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-March-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***
——————————————

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত আজি ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। এই উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কাৰ্যসূচীত বিত্তমন্ত্ৰী অজন্তা নেওগো উপস্থিত থাকিব। আনহাতে ৰাজ্যৰ তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব।

০০০০০০

নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰন সেতুখন আজি মুকলি কৰা হ'ব। পাঁচ দশমিক পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেতুখন ৮৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ২০২৪ চনৰ পহিলা জানুৱাৰীত সেতুখনৰ আধাৰশিলা স্থাপন কৰা হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ দীৰ্ঘতম উৰণ সেতুখন মুকলি উপলক্ষে আজি বিয়লি আয়োজন কৰা কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই কাৰ্যসূচীত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াও অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে নিৰ্ধাৰিত ৩৬ মাহৰ বিপৰীতে ২৮ মাহতে এই উৰণ সেতুখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। এই উৰণ সেতুখন নিৰ্মাণৰ ফলত যানজঁট হ্ৰাস পোৱাৰ লগতে জনসাধাৰণৰ যাতায়াতৰ ক্ষেত্ৰত সকাহ হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৪ মাৰ্চত শিলচৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ৰ উপস্থিতিত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতি, সুৰক্ষা ব্যৱস্থাকে ধৰি সকলো দিশ চালি-জাৰি চোৱা হয়। প্ৰধানমন্ত্ৰীয়ে সেইদিনা শিলচৰত তিনিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব আৰু এটা প্ৰকল্প উদ্বোধন কৰিব। তেওঁ লগতে এখন সমাৰেশতো অংশ ল'ব। শ্ৰীমোদীয়ে পাঁচগ্ৰামৰ পৰা বৰাপানীলৈ নিৰ্মাণ হ'বলগীয়া ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষ এক্সপ্ৰেছ হাইৱে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্প সম্পূৰ্ণ হ'লে চাৰে ৪ ঘণ্টাৰ ভিতৰত শিলচৰৰ পৰা গুৱাহাটীলৈ যাতায়াত সম্ভৱ হ'ব। প্ৰধানমন্ত্ৰীয়ে কেপিটেল পইণ্টৰ পৰা ৰাংগিৰখাৰীলৈ চাৰে ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ উৰণ সেতু আৰু শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত কৃষি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

বিশ্বনাথ জিলাৰ চতিয়াৰ তিনিটা অঞ্চলত অবৈধ দখলমুক্ত কৰাৰ বাবে কালি প্ৰশাসনে পুনৰ উচ্ছেদ অভিযান চলায়। প্ৰশাসনে  চলাহোলাত জলসিঞ্চন বিভাগৰ ভূমি দখল কৰি থকা কমেও ১৫টা পৰিয়ালক সেই স্থানৰ পৰা উচ্ছেদ কৰে। কালি পুৱা ৮ বজাত আৰম্ভ হোৱা এই উচ্ছেদ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। প্ৰশাসনে ভি জি

আৰ ভূমিতো উচ্ছেদ চলায়। এই অভিযানত ৭৫ বিঘা ভূমি অবৈধভাৱে দখল কৰি থকা ৬৫টা পৰিয়ালক উচ্ছেদ কৰা হয়। কালি উচ্ছেদ অভিযান শান্তিভাৱে সম্পন্ন কৰিবলৈ চি আৰ পি এফৰ জোৱান মোতায়ন কৰা হয়।

*-বাইট-*

০০০০০০

ৰাজ্যৰ শাসনাধিস্থিত এন ডি এ মিত্ৰজোঁটৰ তিনিওগৰাকী প্ৰাৰ্থীকে ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হৈছে। নিৰ্বাচনী বিষয়াই কালি তেওঁলোকক আনুষ্ঠানিকভাৱে মান পত্ৰসমূহ প্ৰদান কৰে। এই প্ৰাৰ্থীকেইগৰাকী হৈছে বিজেপিৰ যোগেন মহন, তেৰছ গোৱালা আৰু ইউ পি পি এলৰ প্ৰমোদ বড়ো। কংগ্ৰেছ নেতৃত্বৰ বিৰোধী দলে ৰাজ্যসভাৰ আসনকেইখনৰ বাবে কোনো প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাছিল।

০০০০০০

কৃষি বিভাগৰ অভিযানন্ত্ৰিক শাখাৰ কৃষি যান্ত্ৰিকীকৰণ উপ আঁচনিৰ অধীনত কালি বোকাখাটত কৃষি মন্ত্ৰী অতুল বৰাই কৃষিৰ ক্ষেত্ৰত প্ৰয়োজনীয় যান্ত্ৰিক সা-সঁজুলি বিতৰণ কৰে। বোকাখাট সমজিলাৰ ৬০গৰাকী আবেদনকাৰী কৃষকক পাৱাৰ টিলাৰৰ দৰে যান্ত্ৰিক সঁজুলি বিতৰণ কৰি মন্ত্ৰী গৰাকীয়ে কৃষি বিভাগত বিগত সময়ছোৱাত বিজ্ঞান সন্মত উন্নয়ন কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ কৃষি বিভাগৰ বিভিন্ন উন্নয়নমূলক আঁচনি সম্পৰ্কে অৱগত কৰাৰ লগতে উন্নয়নৰ খতিয়ানও দাঙি ধৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত নলনী চমুৱা আদৰ্শ অংগনৱাদী কেন্দ্ৰৰ নৱনিৰ্মিত ভৱনটো কালি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই উদ্বোধন কৰে। ২৫ লাখ টকা ব্যয়ৰে নিৰ্মিত এই কেন্দ্ৰটোত শিশু সকলৰ বাবে বিভিন্ন অত্যাধুনিক সা-সুবিধা সন্নিবিষ্ট কৰা হৈছে। কেন্দ্ৰটোৱে মানৱ সম্পদ গঢ় দিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

০০০০০০

**সমাপ্ত**